# গুৱাহাটী বিশ্ববিদ্যালয়

## গোপীনাথ বৰদলৈ নগৰ, গুৱাহাটী-৭৮১০১৪, অসম

<u>জাননী</u>

দিনাংক: ৩১/১০/২০২২

ইয়াৰ দ্বাৰা সংশ্লিষ্ট সকলো পক্ষকে জনোৱা হয় যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনৰ তিনিবছৰীয়া স্নাতক কলা, বাণিজ্য, বিজ্ঞান আৰু বি-ভক পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণৰ প্ৰক্ৰিয়া বিগত ২২ অক্টোবৰ, ২০২২ তাৰিখৰ পৰা আৰম্ভ হৈ ২ নৱেম্বৰ, ২০২২ তাৰিখে শেষ দিন হিচাপে ধাৰ্য্য কৰা হৈছিল যদিও ভিতৰুৱা গাওঁ অঞ্চলৰ কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে এতিয়াও প্ৰ-পত্ৰ পূৰণ নকৰাৰ তথ্য পোৱাৰ পৰিপ্ৰেক্ষিতত **প্ৰ-পত্ৰ পূৰণৰ শেষ তাৰিখ ৭ নবেম্বৰ,২০২২** লৈ বৃদ্ধি কৰা হৈছে। সেই মৰ্মে, মহাবিদ্যালয় পৰ্যায়ত প্ৰ-পত্ৰৰ সত্যাপন আৰু মাচুল সংগ্ৰহৰ প্ৰক্ৰিয়া শেষ কৰাৰ পিছত মহাবিদ্যালয় সমূহে পৰীক্ষাৰ প্ৰ-পত্ৰ সম্পৰ্কীয় সকলো নথি-পত্ৰ বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ হাতত জমা দিয়াৰ বাবে **১০, ১১ আৰু ১২ নবেম্বৰ ২০২২** ৰ নিৰ্ধাৰিত তাৰিখ সমূহৰ এখন সূচী ঘোষণা কৰা হৈছে।

বিগত মে মাহত অনুষ্ঠিত স্নাতক দ্বিতীয় আৰু চতুৰ্থ ষান্মাসিক পৰীক্ষা, ২০২২ ৰ মূল্যায়ন মণ্ডল সমূহৰ অন্তৰ্গত একাংশ মূল্যায়কৰ হেমাহিৰ বাবে মাণ্ডলিক বিষয়াসকলে মূল্যায়ন মণ্ডলৰ প্ৰতিবেদন আৰু যাৱতীয় নথি-পত্ৰ বিশ্ববিদ্যালয় কৰ্তৃপক্ষক জমা দিব নোৱৰাৰ পৰিপ্ৰেক্ষিতত এই দুয়োটা পৰীক্ষাৰ ফলাফল ঘোষণাত বিলম্ব হোৱাৰ সম্ভাৱনা দেখা দিছে । এনে পৰিস্থিতিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰীক্ষা প্ৰশাসনৰ তৰফৰ পৰা সংশ্লিষ্ট সকলো পক্ষকে নিজ-নিজ দায়িত্ব পালন কৰি ৪ নবেম্বৰ তাৰিখৰ আগত চতুৰ্থ ষান্মাসিক আৰু ৮ নবেম্বৰ তাৰিখৰ আগত দ্বিতীয় ষান্মাসিক পৰীক্ষাৰ মূল্যায়ন মণ্ডলৰ নথিপত্ৰ সমূহ জমা দিয়াৰ বাবে জনোৱা হ'ল।

বিশ্ববিদ্যালয় অনুদান আয়োগ আৰু ষান্মাসিক ব্যৱস্থা অনুসৰি, অবিৰত আৰু বিস্তৃত মূল্যায়ন ব্যৱস্থাৰ অন্তৰ্গত আভ্যন্তৰীণ মুল্যায়নৰ এক গুৰুত্বপূৰ্ণ আৰু বাধ্যতামূলক উপাদান হিচাপে ছাত্ৰ-ছাত্ৰী সকলৰ শ্ৰেণীকোঠাৰ উপস্থিতিৰ তথ্যক পৰীক্ষাৰ প্ৰ-পত্ৰ সত্যাপন আৰু অনুমোদনৰ ক্ষেত্ৰত সংলগ্ন কৰি বিষয়টোক গুৰুত্ব সহকাৰে বিবেচনা কৰিবলৈ নিৰ্দেশ জাৰি কৰা হ'ল।

ড. দেৱহৰি তালুকদাৰ

পৰীক্ষা নিয়ন্ত্ৰক (ভা.প্ৰা.),

গুৱাহাটী বিশ্ববিদ্যালয়

দিনাংক: ৩১/১০/২০২২

# GAUHATI UNIVERSITY
## OFFICE OF THE CONTROLLER OF THE EXAMINATIONS
GOPINATH BORDOLOI NAGAR : GUWAHATI-14, ASSAM :: INDIA


## NOTICE
**31/10/2022**

This is to inform all concerned that the examination form filling up process for the three year degree examination of Arts, Science, Commerce and B.Voc. has been going on since October, 22nd, 2022 and was scheduled to be end on November 2nd, 2022. However, in view of the fact that some students belonging to some remote areas are yet to complete the process, the last date for filling up of examination forms in hereby extended to **November 7th, 2022**. Therefore, after completion of process of verification and approval of examination forms in the college portal, a schedule has been announced for the concerned colleges on November 10th, 11th and 12th, 2022 for submission of all relevant documents to the office of Gauhati University authority.

It has also been notified that, due to the laziness on the part of the some answer script evaluators, the Zonal Officers of the Examination Zones of Degree 2nd and 4th semester Examination held in May 2022, have not able to submit relevant documents related to evaluation to the office of the CoE, GU which has seriously jeopardized the timely declaration of the results. Under the circumstances, the University Administration hereby informs all stakeholders to submit all evaluation related materials to their respective Zones before November 4th, 2022 for degree 4th semester and before November 8th, 2022 in respect of degree 2nd semester examination.

Student attendance in classes is a very important and integral part of internal assessment under the semester system as per UGC guideline. All concerned therefore are hereby directed to seriously consider this aspect during verification and approval of examination forms.

(D. Talukdar)
Controller of Examinations, I/C
Gauhati University